# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 10-01-2026
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***

১।  ১০ ফেব্ৰুৱাৰীৰ পূৰ্বে সকলো নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব বুলি এ ডি আৰ ইৰ নিযুক্তিপত্ৰ বিতৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২।  সুস্থ ব্যক্তিয়েহে সুস্থ সমাজৰ ভেটি গঢ়ে বুলি ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যৰ উত্তৰ-পূৰ স্বাস্থ্য যতন ব্যৱস্থাপনা সন্মিলনত মন্তব্য।

৩।  উত্তৰ গুৱাহাটীৰ ৰংমহলত কাইলৈ সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন। মুখ্যমন্ত্ৰীৰ প্ৰকল্পস্থলী পৰিদৰ্শন।

৪।  চিৰাং জিলাৰ বিজনীত থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক অধিবেশনৰ আজি দ্বিতীয় দিনা কেইবাটাও মনোজ্ঞ অনুষ্ঠান। *আৰু*

৫।  অস্মিতা খেলো ইণ্ডিয়া ৰাষ্ট্ৰীয় ভাৰোত্তোলনত অসমৰ পৰিস্মিতা গগৈ আৰু আইচেংফা গগৈৰ সোণৰ পদক অৰ্জন।

০০০০

১০ ফেব্ৰুৱাৰীৰ আগতে সকলো নিযুক্তি সম্পন্ন হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আজি অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা- এ.ডি.আৰ.ইত উত্তীৰ্ণ তৃতীয় বৰ্গৰ ৬ হাজাৰ ৩৪৭ গৰাকী  প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত ডঃ শৰ্মাই এই বিষয়ে সদৰী কৰে। তেওঁ কয়, যে দেশৰ কেইবাখনো ৰাজ্যই এই ধৰণৰ নিযুক্তি প্ৰক্ৰিয়া অনুসৰণ কৰিছে। ৰাজ্যত নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যাই ১ লাখ ৫৬ হাজাৰ অতিক্ৰম কৰা বুলি তেওঁ মন্তব্য কৰে। ডঃ শৰ্মাই কয়, যে নিযুক্তি প্ৰক্ৰিয়াক লৈ বৰ্তমানলৈকে কোনো ধৰণৰ অভিযোগ উঠা নাই।

পৰহিলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ ২৯২ গৰাকী চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব।

-বাইট-

০০০০

দেশৰ চহকী পৰম্পৰাত স্বাস্থ্যৰ ক্ষেত্ৰত সদায় সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই প্ৰকাশ কৰিছে। গুৱাহাটীত আজি দ্বিতীয় উত্তৰ পূব স্বাস্থ্য যতন ব্যৱস্থাপনা সন্মিলন মুকলি কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে সুস্থ ব্যক্তিয়েহে সুস্থ সমাজৰ ভেঁটি গঢ়ে আৰু সমাজ সুস্থ হ'লে ৰাষ্ট্ৰও সুস্থ হয়। তেওঁ কয়, যে স্বাস্থ্য যতনৰ পৰিসৰ ৰোগ চিনাক্তকৰণ আৰু চিকিৎসাৰ পৰিধিতকৈ অধিক ব্যাপক। এয়া জনসাধাৰণৰ মৰ্য্যাদা সুৰক্ষিত কৰা আৰু ৰাষ্ট্ৰৰ সাংবিধানিক দায়িত্ব পূৰণ কৰাৰ গুৰুত্বপূৰ্ণ ব্যৱস্থা বুলি তেওঁ মন্তব্য কৰে। ৰাজ্যপালগৰাকীয়ে কয়, যে ফলপ্ৰসূ স্বাস্থ্য সেৱা ব্যৱস্থাত সকলো নাগৰিকৰ বাবে গুণগত সেৱা সহজলভ্য, আৰু বহনসাধ্য হ'ব লাগে। জটিল ভৌগলিক অৱস্থা আৰু সাংস্কৃতিক বিবিধতাৰ দৰে উত্তৰ পূৰ্বাঞ্চলৰ সুকীয়া প্ৰত্যাহ্বানৰ বিষয়ে আলোকপাত কৰি ৰাজ্যপাল আচাৰ্য্যই অঞ্চলটোত স্বাস্থ্য সেৱা প্ৰদান ব্যৱস্থা সুদৃঢ় কৰাৰ আৱশ্যকতাৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰি ৰাজ্যপালগৰাকীয়ে কয়, যে সুস্থ নাগৰিকসকল এখন আত্ম-নিৰ্ভৰশীল আৰু সবল ৰাষ্ট্ৰৰ ভেঁটিস্বৰূপ। আয়ুষ্মান ভাৰত, স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ, আয়ুষ্মান ভাৰত ডিজিটেল অভিযান আৰু ই-সঞ্জীৱনীৰ মাধ্যমেৰে  দূৰ সংযোগ ব্যৱস্থাৰে চিকিৎসা প্ৰদানৰ সুবিধাৰ ফলত সকলো ঠাইতে, বিশেষকৈ দুৰ্গম অঞ্চলসমূহত স্বাস্থ্য সেৱা সহজলভ্য হৈ উঠিছে বুলি তেওঁ মন্তব্য কৰে।

০০০০

উত্তৰ গুৱাহাটীৰ ৰংমহলত কাইলৈ সংহত ন্যায়িক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হ'ব। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানত আইন মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ উজ্জ্বল ভূঞা, সন্দীপ মেহতা, এন কৌটিশ্বৰ সিং, বিজয় বিষ্ণয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ উপস্থিত থকাৰ কথা। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ আন ২৪ গৰাকী ন্যায়াধীশো উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই স্থান পৰিদৰ্শন কৰি অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। উল্লেখযোগ্য যে ৰাজ্যৰ অধিবক্তা সমাজে গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীলৈ স্থানান্তৰৰ বিৰোধিতা কৰি আহিছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থাই গণতান্ত্ৰিক প্ৰতিবাদ কৰি আহিছে। আজি মুখ্যমন্ত্ৰীয়ে কয়, যে উকীল সন্থাক ৩ বছৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি তেওঁ পালন কৰিছে। অৱশ্যে, উকীল সন্থাৰ লগত উচ্চ ন্যায়ালয়ৰ কি বুজাবুজি হৈছে, সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকী অৱগত নহয় বুলি উল্লেখ কৰে।

বাইট

০০০০

দুৰ্নীতিৰ বিৰুদ্ধে শূন্য সহনশীল নীতি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে কোনো কাৰণতে দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নাই আৰু আগলৈও এই ক্ষেত্ৰত চৰকাৰে কঠোৰ স্থিতি গ্ৰহণ কৰিব। ২০২৫ বৰ্ষত ৰাজ্য চৰকাৰৰ দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ে দুৰ্নীতি নিৰ্মূলৰ ক্ষেত্ৰত অভিলেখ সংখ্যক কাৰ্য সম্পন্ন কৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত বৰ্ষত দুৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয় ১০০ শতাংশ অভিযোগনামা দাখিল কৰিছে। এই সময়ছোৱাত ৭৪ খন অভিযোগনামা দাখিল কৰাৰ লগতে ৩২ গৰাকী চৰকাৰী কৰ্মচাৰীক দুৰ্নীতিৰ অভিযোগত আটক কৰা হৈছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে। তেওঁ কয়, যে সংস্কাৰমূলক ব্যৱস্থাৰে কঠোৰৰ পৰা কঠোৰতম পদক্ষেপ গ্ৰহণ কৰি চৰকাৰী ব্যৱস্থাক নতুন ৰূপ দিবলৈ চৰকাৰ দায়বদ্ধ বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৰৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনাৰ কাৰ্য্যসূচীত বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীৰ অধ্যক্ষতাত স্মৃতিগ্ৰন্থ উন্মোচন, বঁটা প্ৰদান অনুষ্ঠানৰ লগতে সাহিত্য একাডেমী বঁটা প্ৰাপকক সম্বৰ্ধনা আৰু আলোচনা চক্ৰৰ আয়োজন কৰা হয়। অনুষ্ঠানত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধ্যাপক ইন্দিৰা বড়োই আদৰণি সমিতিৰ ছানজাংৰা শীৰ্ষক স্মৃতিগ্ৰন্থখন উন্মোচন কৰে। এই অনুষ্ঠানতে বড়ো সাহিত্য সভাৰ ১২ খনকৈ নিৰ্বাচিত গ্ৰন্থৰ লগতে আন কেইবাখনো গ্ৰন্থ উন্মোচন কৰা হয় আৰু ১১ টা বিশেষ বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ শ্ৰীদৈমাৰীয়ে কয়, যে বড়ো সাহিত্য সভাই বড়ো সমাজত দিক্ নিৰ্ণয় কৰি আহিছে। তেওঁ লগতে বড়ো সাহিত্য সভাক বড়ো জনগোষ্ঠীৰ হৃদপিণ্ড বুলি অভিহিত কৰে। ইয়াৰ পাছতে লেখক তথা মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই **পৰিচয় আৰু প্ৰতিৰোধ কণ্ঠঃ সম-সাময়িক বড়ো সাহিত্যত প্ৰৱণতা আৰু পৰিৱৰ্তন** শীৰ্ষক আলোচনীখন মুকলি কৰে। চুবুৰীয়া নেপাল, ভুটান, বিভিন্ন ৰাজ্যৰ আৰু অসমৰ ২ হাজাৰৰো অধিক প্ৰতিনিধিৰে উখল-মাখল হৈ থকা থেংফাখ্ৰী পথাৰত আজি নিশা দ্বিতীয়খন প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। এই সভাত পৰৱৰ্তী তিনিটা বৰ্ষৰ বাবে নতুনকৈ বড়ো সাহিত্য সভাৰ কাৰ্য্য-নিৰ্বাহক সমিতি গঠন কৰা হ'ব।

কাইলৈ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০

গুৱাহাটীৰ সৰুসজাইত ১০ হাজাৰ শিল্পীয়ে বড়োসকলৰ পৰম্পৰাগত নৃত্য বাগৰুম্বা প্ৰদৰ্শন কৰি বিশ্ব অভিলেখ গঢ়াৰ বাবে সম্প্ৰতি বিভিন্ন স্থানত প্ৰস্তুতি চলাই থকা হৈছে। কামৰূপৰ বকোত ৫৪৫ গৰাকী বড়ো সম্প্ৰদায়ৰ যুৱক-যুৱতীয়ে আখৰাত অংশগ্ৰহণ কৰে। বাক্সাৰ বৰমাজ্ৰা বাথৌ মন্দিৰ খেলপথাৰত অনুষ্ঠিত বাগৰুম্বাৰ আখৰা আজি অন্ত

পৰে। জিলাখনৰ মানাহ্‌ বিধানসভা সমষ্টিৰ ৰাবাং বড়োবজাৰ, চলচলি, ককলাবাৰী আদি অঞ্চলৰ ২৯০ গৰাকী যুৱক-যুৱতীয়ে বাগৰুম্বাৰ অনুশীলনত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত ১০ হাজাৰ শিল্পীয়ে বাগৰুম্বা নৃত্য পৰিবেশন কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৭ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। ১৭ জানুৱাৰীৰ বিয়লি প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে পৰিৱেশন কৰিবলগীয়া বাগৰুম্বা নৃত্য উপভোগ কৰিব। প্ৰধানমন্ত্ৰীয়ে সেই দিনাই গুৱাহাটীত কামাখ্যা আৰু কলকাতাৰ মাজত চলিবলগীয়া বন্দে ভাৰত শ্লিপাৰ ৰে'লগাড়ীখনৰ যাত্ৰাৰ শুভাৰম্ভ কৰিব। ৰে'লখন কালি কামাখ্যা ৰে'লৰে ষ্টেচন পাইছেহি। এই ৰে'লগাড়ী খন হৈছে দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লিপাৰ ৰে'ল। ১৬টা দবাবিশিষ্ট ৰে'লগাড়ীখনত ৮৩৩ গৰাকী যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে ১৮ জানুৱাৰীত কলিয়াবৰৰ মৌচন্দা পথাৰত এখন ৰাজহুৱা সভাত অংশ ল'ব আৰু এই সভাতে কলিয়াবৰৰ পৰা বোকাখাতলৈ ছহেজাৰ ৯৫৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কাজিৰঙা এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা আৰু ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি প্ৰধানমন্ত্ৰীৰ জনসভাস্থলী পৰিদৰ্শন কৰে। মন্ত্ৰী দুগৰাকীয়ে সংশ্লিষ্ট সকলোকে এই কাম নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে নিৰ্দেশ দিয়ে। সাংবাদিকৰ আগত মন্ত্ৰী তথা স্থানীয় বিধায়ক কেশৱ মহন্তই এইদৰে কয় -

-বাইট-

প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণৰ সময়তে ডিব্ৰুগড়ৰ পৰা লক্ষ্ণৌৰ গোমটিলৈ আৰু গুৱাহাটীৰ পৰা নতুন দিল্লীৰ ৰাউটালৈ চলিবলগীয়া দুখন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰিব ।

০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাতত আজি নিশা ৮ বাজি ২ মিনিটত 'মহিলা সৱলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ৰাজ্য চৰকাৰৰ আঁচনিসমূহত আলোকপাত' শীৰ্ষক এটি বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত ভাগ ল'ব ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ কমল কুমাৰ মেধিয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত গোলাঘাট জিলাত ক্ৰীড়া পৰিবেশ সন্দৰ্ভত জিলা ক্ৰীড়া বিষয়া বিমল চন্দ্ৰ গগৈৰ সৈতে হোৱা সাক্ষাৎকাৰটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ গোলাঘাট জিলাৰ সংবাদদাতা হিৰণ্য গগৈয়ে।

০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ চৰাইদেউ মৈদাম ক্ষেত্ৰত পৰ্যটন বিভাগৰ উদ্যোগত আৰু চৰাইদেউবাসীৰ সহযোগত কালিৰে পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত চৰাইদেউ মহোৎসৱৰ আজি দ্বিতীয় দিনা প্ৰতিকী ৰূপত স্বৰ্গদেউৰ শোভাযাত্ৰা আৰু ৰাজসভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সহযোগত আয়োজিত এই মহোৎসৱৰ আজি শোভাযাত্ৰাই সকলোকে আপ্লুত কৰে। সহস্ৰাধিক লোকৰ উপস্থিতিত চৰাইদেউত প্ৰতিকী ৰাজসভা অনুষ্ঠিত হয়। টাই-আহোমসকলৰ পৰম্পৰাগত ৰীতি-নীতিৰে স্বৰ্গদেউক আদৰণি জনোৱা হয়। এই সন্দৰ্ভত মহোৎসৱৰ এগৰাকী আয়োজকে এইদৰে কয় -

**-বাইট-**

উল্লেখযোগ্য যে, চৰাইদেৱে বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্য্যাদা লাভ কৰাৰ পাছত এই মহোৎসৱে অঞ্চলটোৰ পৰ্য্যটন আৰু সংস্কৃতিৰ ক্ষেত্ৰলৈ নতুন সম্ভাৱনা কঢ়িয়াই আনিছে। তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত চৰাইদেউ মহোৎসৱ এইবাৰ এখন বৃহৎ আকাৰৰ কেনভাছে আকৰ্ষণীয় কৰি তুলিছে। কেনভাছখনত চীনৰ য়ুন্নান প্ৰদেশৰ মাউলুঙৰ পৰা সুদূৰ পাটকাই পৰ্বত অতিক্ৰমী চাউলুং চ্যুকাফাৰ অসম আগমণৰ ছবি শিল্পীৰ তুলিকাত প্ৰাণ পাই উঠিছে।

০০০০

রাজ্যৰ বিভিন্ন প্ৰান্তত অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা প্ৰস্তুতৰ আয়োজন কৰিছে। উৰুকালৈ মাজত মাথো দুদিন বাকী থকা অৱস্থাত গ্ৰামাঞ্চলত উখল মাখল পৰিৱেশৰ সৃষ্টি হৈছে। চৰাইদেউ জিলাৰ সোণাৰীত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান চৰাইদেউ জিলা শাখাৰ উদ্যোগত অনুষ্ঠিত এই ভোগালী মেলাত ২৮ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ পৰিবহন, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনে ভোগালী মেলা উদ্বোধন কৰে। অনুষ্ঠানত চৰাইদেউ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ, চৰাইদেউ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞা, অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান চৰাইদেউ জিলা অভিযান পৰিচালনা শাখাৰ জিলা প্ৰকল্প প্ৰৱন্ধক গৌতম দত্তৰ লগতে কেইবাজনো বিষয়া কৰ্মচাৰী উপস্থিত থাকে।

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া সমষ্টিৰ নামৰূপ গাওঁ পঞ্চায়তৰ আত্মসহায়ক গোটসমূহৰ সহযোগত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। স্থানীয় বিধায়ক তৰংগ গগৈয়ে অসমী ভোগালী মেলাখন উদ্বোধন কৰে।

অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান কামৰূপ মহানগৰ জিলাৰ উদ্যোগত উজানবজাৰৰ সতী ৰাধিকা শান্তি উদ্যানতো অসমী ভোগালী মেলা অনুষ্ঠিত হৈছে। কাইলৈ অন্ত পৰিবলগীয়া এই মেলাত মহিলাসকলে প্ৰস্তুত কৰা লাৰু, পিঠা, জহা চাউল, বৰা চাউলৰ লগতে বিভিন্ন থলুৱা খাদ্য উপলব্ধ হৈছে। গুৱাহাটী মহানগৰীৰ দীঘলিপুখুৰী পাৰৰ সমীপৰ লক্ষীনাথ বৰা ক্ষেত্ৰ, খানাপাৰা আদি স্থানতো ব্যক্তিগত অনুষ্ঠান-প্ৰতিষ্ঠানৰ উদ্যোগত ভোগালী মেলা অনুষ্ঠিত হৈছে।

ভোগালী বিহুৰ পূৰ্বে দৰং জিলাৰ মঙলদৈৰ জলজলি প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিক্ৰেতা ৰূপত দেখিবলৈ পোৱা গৈছে। বজাৰ সম্পৰ্কে ব্যৱহাৰিক জ্ঞান প্ৰদানৰ লক্ষ্যৰে ভোগালীৰ খাদ্য সম্ভাৰ লৈ ছাত্ৰ-ছাত্ৰীসকলে বিপনী দিয়ে।

ভোগালী বিহুৰ প্ৰাকক্ষণত মাজুলীত অসমী ভোগালী মেলা ২০২৬ কালিৰে পৰা অনুষ্ঠিত হৈছে। টুনী নদীৰ পাৰত অনুষ্ঠিত এই মেলা কাইলৈ সামৰণি পৰিব। ৰাজ্যৰ আন আন প্ৰান্ততো ভোগালী মেলা অনুষ্ঠিত হৈছে।

০০০০

উত্তৰ প্ৰদেশৰ মোদীনগৰত অনুষ্ঠিত অস্মিতা খেলো ইণ্ডিয়া ৰাষ্ট্ৰীয় মহিলা ভাৰোত্তোলন লীগত অসমে আজি দুটা সোণ আৰু এটা ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। অসমৰ হৈ পৰিস্মিতা গগৈ আৰু আইচেংফা গগৈয়ে সোণৰ পদক অৰ্জনৰ লগতে ৰিয়াৰাণী বড়োৱে ব্ৰঞ্জৰ পদক দখল কৰে। পৰিস্মিতাই ৪৪ কিলোগ্ৰাম আৰু আইচেংফাই ৮১ কিলোগ্ৰাম শাখাত সোণৰ পদক লাভ কৰে। আনহাতে, ৰিয়াৰাণীয়ে ৪৮ কিলোগ্ৰাম শাখাত ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০

কৰ্ণাটকৰ মাংগালোৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় মুকলি ৱাটাৰ ছুইমিং ছেম্পিয়নশ্বিপত অসমে আজি এটা সোণ আৰু এটা ৰূপৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাখনৰ ৫ কিলোমিটাৰ সাতোৰত আস্থা চৌধুৰী সোণৰ পদক লাভ কৰে। আনহাতে, একেটা শাখাত অসমৰ জাহ্নৱী কাশ্যপে ৰূপৰ পদক দখল কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাখনত অসমৰ ১০ গৰাকী সাতোৰবিদে অংশগ্ৰহণ কৰিছিল।

০০০০

গুৱাহাটীৰ হাতীগড় চাৰিআলি নিবাসী বৰ্ষীয়ান মহিলা পদ্মপ্ৰভা গোস্বামীৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮৬ বছৰ। যোৰহাটৰ বিখ্যাত প্ৰকাশন গোষ্ঠী বৰকটকী এণ্ড কোম্পানীৰ পৰিয়ালৰ জীয়ৰী পদ্মপ্ৰভা গোস্বামী বিবাহসূত্ৰে গুৱাহাটীৰ বাসিন্দা আছিল।

০০০০

সমাপ্ত